For translation of this speech, visit:-http://www.atributetosankaradeva.org/Rise_of_Sankaradeva_Sangha.pdf

# শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘৰ অভ্যুদয়

জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰৰ কৃপাতে আৰু তাৰাৰ অদৃশ্য আঙ্গুলিৰ নিৰ্দেশত শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘ, ভক্তসকলৰ অচলা শ্ৰদ্ধা-ভক্তি তাৰাৰ নাম ধৰ্মৰ শুদ্ধ পন্থা তাৰ মহিমা প্ৰচাৰৰ আগ্ৰহতে গঢ়ি উঠিছে। ইয়াৰ এটা ইতিহাস আছে, তাকে মই আপোনালোকক কওঁ-

এই নিঃকিন আপোনালোকৰ চৰণ ধূলিয়েই এই সঙ্ঘৰ প্ৰতিষ্ঠাতা। সমাজৰ কুসংস্কাৰ, বিশৃঙ্খলতা, ধৰ্মক অধৰ্ম আৰু অধৰ্মক-ধৰ্ম বুলি প্ৰচাৰ কৰা গোসাই মহন্ত আৰু ভকতৰ আৰু বামুণীয়া পূজা-পাতলৰ দুৰ্ঘোৰ বিৰোধী আছিলোঁ। পবিত্ৰ এক শৰণ নাম ধৰ্মত মোৰ অটল বিশ্বাস। এই বিশ্বাস মোৰ অন্তৰত সৰুতে মোৰ বৰদেউতা ঁমদন চন্দ্ৰ ভূঞা, হাতীগড়ৰ ওজা আতৈ, বালিগাঁৱৰ বহুৰা আতৈ প্ৰভৃতি ভকতসকলৰ শিক্ষাই দৃঢ় কৰি শিপাইছিল, সেয়ে ক্ৰমান্বয়ে বাঢ়ি আহিবলৈ ধৰিলে।

হাইস্কুলৰ ষষ্ঠ শ্ৰেণীত পঢ়োতে এবাৰ বৰদোৱাত দৌল যাত্ৰা উৎসৱ চাবলৈ গৈছিলোঁ। তাত আমাক কীৰ্তন ঘৰত সোমাবলৈ নিদিছিল। মনত বৰ দুখ লাগিল। মোৰ বৰদেউতা নৰোৱা সত্ৰৰ বৰমেধি আছিল। দৌলৰ সিংহাসন তেখেতৰ হাতৰ সজা তথাপি মোক অস্পৃশ্যৰ দৰে ব্যৱহাৰ কৰি প্ৰসাদ দিলে। সেইটো অপমান মই জীৱনত পাহৰা নাই। বৰদোৱালৈ যাবলৈ এৰি দিলোঁ।

দ্বিতীয়তে এবাৰ মোৰ মেলেৰীয়া জ্বৰ হৈ বৰ কষ্ট পাইছিলোঁ। মই পিতৃ-মাতৃহীন মাউৰা বুলি বৃত্তি শেষ হোৱাৰ পিছত মাচুল মাফ পাইছিলো; কিন্তু ঘনাই স্কুল ক্ষতি হোৱাত এইদৰে স্কুল ক্ষতি কৰিলে বৃত্তি কটা যাব বুলি মোক জনোৱাত অসুখীয়া গাৰেই স্কুললৈ যাবলৈ ল'লোঁ। কিন্তু এদিন স্কুলতে জ্বৰ হোৱাত মাষ্টৰে ছুটী দিলে- মই জ্বৰৰ গাৰেই বহালৈ খোজ ল'লোঁ কিন্তু প্ৰবল জ্বৰৰ প্ৰকোপত প্ৰায় খোজ কাঢ়িব নোৱাৰা হৈ পৰিলোঁ। তেতিয়া মোৰ কাষেদি যোৱা দুঠাইত দুজন লোকক কাতৰ ভাবে মোক ধৰিবলৈ কোৱা সত্বেও কোনো জনে মোক নুচুলে। তেতিয়াই মই ভাবিলো এই ধৰ্মৰ বোধকৰো দিন উকলিল। পিছত মহাপুৰুষসকলৰ কীৰ্তন-ঘোষা, দশম, নাম ঘোষা আদি পঢ়ি দেখিলোঁ যে ধৰ্মৰ গাত দোষ নাই। মানুহহে সেইবাবে দায়ী আৰু ধমাচাৰ্যসকলে প্ৰকৃত শিক্ষা আৰু আদৰ্শ দাঙি ধৰিব নোৱাৰাৰ কাৰণে এনে হৈছে।

তাৰ পিছত ধৰ্ম জীৱন আৰম্ভ হয়। ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিলোঁ। তেতিয়া স্পষ্ট ভাৱে ভাৰতৰ তথা অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক আৰু ধৰ্ম নৈতিক পৰিস্থিতিৰ বিষয়ে অধ্যয়ন কৰিব লগা হয়। স্বৰাজৰ কামত সকলো ত্যাগ কৰি চাকৰি এৰি লাগি গ'লোঁ।

মনত কিন্তু মহাপুৰুষীয়া ধৰ্মৰ গ্লানিৰ কথা তেতিয়াও পাহৰা নাই। উপায়ো নাই আৰু সময়ো নাই কিবা কৰিবলৈ হাতত ল'বৰ।

এনেতে আমাৰ সকলোৰে পূজনীয় শ্ৰীযুত ৰমাকান্ত আতৈক ঁবীৰেন্দ্ৰ মহন্ত, বি, এল, নগাঁও মিউনিচিপালিটিৰ চেয়াৰমেনৰ ঘৰত লগ পাওঁ। তেখেতৰ লগত কথা-বতৰা হৈ ক্ৰমে ঘনিষ্ঠতা বাঢ়ি যায়। মনে মনে ভাবিলোঁ এখেতৰ দ্বাৰাই জগতগুৰুৰ কাৰ্য সাধিব পৰা যাব,- কিয়নো মহাপুৰুষীয়া ধৰ্মৰ বিষয়ে শাস্ত্ৰ জ্ঞান আৰু তত্ত্ব কথা ভালকৈ জানে, দ্বিতীয়তে উদাসীন ভকত আৰু সংসাৰৰ লেঠাও নাই, তৃতীয়তে অনেক সত্ৰৰ ইতিবৃত্ত আৰু নিয়ম কাৰণ আদি সকলো কথা জানে। এদিন মোৰ ঘৰলৈ অনুগ্ৰহ কৰি তেখেতে আহিল আৰু মই সেই সুযোগতে তেখেতক সুধিলো যে শঙ্কৰ মিচন আৰু ধৰ্ম প্ৰচাৰ- কৰাত তেখেতৰ মন আছেনে নাই আৰু পাৰিবনে নোৱাৰে। তেখেতে ক'লে যে নিশ্চয় পাৰিব। তেতিয়াই মই ক'লো যে তেন্তে এঠাইত আশ্ৰমৰ এটা নিচিনা কেন্দ্ৰ বাছি ল'ব লাগিব য'ৰ পৰা আমাৰ আদৰ্শ প্ৰচাৰ কৰিব পাৰোঁ। পলাশনি গাঁৱত সেই কেন্দ্ৰ পতাৰ বন্দবস্ত কৰি মোক খবৰ দিলে। শ্ৰীযুত সকল সনতৰাম বৰা, চেনীৰাম নাম লগোৱা, যজ্ঞৰাম বৰা, ঁথুলেশ্বৰ শইকীয়া প্ৰভৃতি লোকসকলে আগ্ৰহেৰে গুৰুজনাৰ আদৰ্শ প্ৰচাৰৰ কামত লাগিবলৈ বদ্ধপৰিকৰ হয়। মোৰ ঠিক মনত নাই এইটো ১৯২৭ আৰু ১৯২৮ চনৰ কথা।

ইয়াৰ পিছত মই ভাবিলোঁ যে আমাৰ দেশত এনেকুৱা বিৰাট প্ৰভাৱৰ ব্যক্তিত্বৰ এজন মানুহ নাই যি ক'লে সকলোৱে শুনে। গতিকে এখন ধৰ্ম সভা অসমৰ সন্ত-মহন্ত সাধু ভকত বৈষ্ণৱসকলক লৈ পতাই ভাল। সেই সভাত মহাপুৰুষৰ প্ৰকৃত এক শৰণ ধৰ্ম শৰণ ভজন আদিৰ বিষয়ে আৰু তাৰাৰ আদৰ্শ মতে সমাজ সংস্কাৰ, অস্পৃশ্যতা বৰ্জ্জন আদিৰ বিষয়ে- সকলোৱে একমত হৈ এখন ব্যৱস্থা পত্ৰ দিব আৰু সেইমতে সকলো চলিব লাগিব। তেতিয়া আমাৰ কাম সুগম হয়। এই বিষয়ে মই শ্ৰীশ্ৰীগড়মূৰ সত্ৰাধিকাৰ প্ৰভু, দিহিং সত্ৰাধিকাৰ প্ৰভু, বৰদোৱা সত্ৰাধিকাৰ প্ৰভু আৰু অন্যান্য বহু গোসাঁই প্ৰভুসকলৰ সাক্ষাৎ কৰি সেই কথা লৈ তেখেতসকলৰ সন্মতি লওঁ। তাৰ পিছত ১৯৩০ চনৰ ১ জানুৱাৰীত আউনীআটীয় সত্ৰাধিকাৰ প্ৰভু শ্ৰীল শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী দেৱ নগাঁও জিলাৰ আউনীআটি বাহৰত শ্ৰীযুত ৰমা মুক্তিয়াৰ আতাৰ সৈতে দেখা কৰে। আৰু উক্ত উদ্দেশ্যৰ কথা দাঙি ধৰোঁ- তেখেতে এই বিষয়ে মীমাংসাত উপস্থিত হ'বলৈ এমাহৰ সময় ল'লে আৰু এমাহৰ মূৰত তেখেতৰ মজুমদাৰজনক উত্তৰ গুৱাহাটীৰ পৰা পঠিয়াই খবৰ দিলে যে সেই কাম তেখেতৰ দ্বাৰা নহ'ব। তেতিয়া তেখেতক মই জনালোঁ যে তেন্তে আমি নিজেই তেনে ধৰ্ম সঙ্ঘ পাতি সেই কাম সাধন কৰিম; তেতিয়া আমাৰ গাত দোষ দিব নোৱাৰিব। সচাঁকৈয়ে শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘ পাতি মই তেখেতলৈ সেই মৰ্মে চিঠি দি জনাইছিলোঁ।

ইয়াৰ পিছত ঈশ্বৰৰ কি ইচ্ছা ক'ব নোৱাৰোঁ গোলাঘাটৰ স্বনামধন্য ঁযোগেন বৰুৱা জজৰ মাতৃ বিয়োগ হয় আৰু গোলাঘাটৰ পণ্ডিত শিৰোমণি ঁগোপিকা বল্লভ গোস্বামীৰ ব্যৱস্থা মতে দশাহ অশৌচ পালন কৰি ১১ দিনত শ্ৰাদ্ধ কৰে। সেই বিষয়ে গোটেই অসমতে এটা হুলস্থূল লাগি যায়। আমাৰ সঙ্ঘই তাক গ্ৰহণ কৰে। মোৰ শিক্ষাগুৰু ঁপণ্ডিত কনক চন্দ্ৰ কাব্যতীৰ্থ মহোদয় প্ৰমুখ্যে ব্ৰাহ্মণ আৰু শূদ্ৰ লোক মিলি ফুলগুৰিৰ ষ্টেজ ঘৰত কামৰূপৰ ১৮জন বিদগ্ধ পণ্ডিতৰ এখন

সভা কটন কলেজৰ অধ্যক্ষ পণ্ডিত লক্ষ্মী নাৰায়ণ চাটাৰ্জীৰ সভাপতিত্বত বহে। আমাৰ তৰফৰ পৰা পণ্ডিত ভুবন চন্দ্ৰ ব্যাকৰণ তীৰ্থ, তৰ্ক শাস্ত্ৰী উপস্থিত আছিল। সেই সভাত দুয়োপক্ষৰ তৰ্কবিতৰ্কৰ পিছত অৱশ্যে মই দু-আষাৰমান কথা কৈছিলোঁ; কৈছিলোঁ যে ব্ৰাহ্মণসকল আমাৰ সদায় নমস্য হৈ আছে; শাস্ত্ৰবিলাক যিবিলাক শাস্ত্ৰৰ বচন আজি সভাত উদ্ধৃত কৰা হ'ল সকলোবিলাক ব্ৰাহ্মণেই লেখা, গতিকে যদি কোনোবাই দশাহ অশৌচ মানে তেনেহ'লে শাস্ত্ৰ মতেই চলা হ'ব আৰু তেতিয়া কেওঁ পতিত নহয়। বিশেষ এতিয়া যুগ পৰিবৰ্তন হৈছে- এই যুগত মানুহক হেঁচি ধৰি ভৰিৰ তলত ৰাখিলে বিদ্ৰোহ কৰিবই। গতিকে দুয়োটা মত শাস্ত্ৰীয় মত বুলি আপোনালোকে ব্যৱস্থা দিব নহ'লে মানুহে ব্ৰাহ্মণ এৰিব আৰু ক্ৰমে সকলো লোক নাম-কীৰ্তনীয়া হ'বগৈ- এই কথা আপোনালোকে লেখি থ'ব পাৰে।

ইয়াৰ পিছত উক্ত সভাৰ বিদগ্ধ পণ্ডিতসকলে এনে এটা ব্যৱস্থা দিলে যে সি অতি দুখ লগা ব্যৱস্থা- এখন সৰু পুস্তিকা ছপাই ব্যৱস্থাত লেখিলে যে শূদ্ৰৰ দশাহ অশৌচ অশাস্ত্ৰীয় আৰু একেবাৰে নিষিদ্ধ। কেৱল ব্ৰাহ্মণৰ পৰিচৰ্যাকাৰী অৰ্থাৎ চাকৰ হৈ থাকিলে যদি সেই ব্ৰাহ্মণে কয় যে তাৰ দহদিনৰ পিছত চুৱা নাথাকে তেন্তে সি ব্ৰাহ্মণৰ পৰিচালক হৈ কাম কৰিব পাৰিব কিন্তু সেয়ে হ'লেও শ্ৰাদ্ধ ৩১ দিনত কৰিব পাৰিব।

এই ব্যৱস্থা পুস্তিকাখন বৰ্তমান গুৱাহাটী নিবাসী শ্ৰীযুত গিৰীশ চন্দ্ৰ বৰুৱাই মোৰ হাতত দিলেহি, সেইখন পাই নগাঁও জিলাৰ মুখ্য লোকসকলৰ পৰামৰ্শ লোৱা হ'ল আৰু গোঁসাই, মহন্ত, ব্ৰাহ্মণ আৰু অন্যান্য বহু সজ্জনসকলক নিমন্ত্ৰণ কৰি ৺ভূজেন্দ্ৰ নাথ মহন্তদেৱৰ হাউলীত এখন ৰাজহুৱা সভা ৺ৰায় চাহাব ডম্বৰুধৰ বৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত বহুৱা হয়। সেই সভাত টাউনৰ আৰু গাঁৱৰ বহু গণ্য-মান্য লোক উপস্থিত আছিল। ব্ৰাহ্মণৰ ভিতৰত ৺চেনিৰাম শ্ৰুতিকৰৰ নাম উল্লেখযোগ্য, তেখেতে ১১ দিনীয়া আন্দোলন নমৰালৈকে সমৰ্থন কৰিছিল।

সেই সভাত পণ্ডিত শ্ৰীভুবন চন্দ্ৰ ভূঞা ব্যাকৰণতীৰ্থ তৰ্কশাস্ত্ৰীদেৱে আৰু পূজনীয় মুক্তিয়াৰ আতাই বক্তৃতা দি ৰাইজক মুগ্ধ কৰিছিল। তাতে মই শঙ্কৰ মিচন প্ৰতিষ্ঠা হ'ব লাগে বুলি এটি প্ৰস্তাৱ দিওঁ। তেতিয়া শ্ৰীযুত মহীকান্ত মহন্তদেৱে শঙ্কৰ সঙ্ঘ নাম হ'ব লাগে বুলি সংশোধন প্ৰস্তাৱ দিয়ে; আমি সকলোৱে তাকে গ্ৰহণ কৰিলোঁ। সেইদিনা প্ৰথম শঙ্কৰ সঙ্ঘ প্ৰতিষ্ঠা হয় ৺ৰায় চাহাব ডম্বৰুধৰ বৰুৱাক সভাপতি আৰু মোৰ সম্পাদক পাতে।

শ্ৰীমতিৰাম বৰা, ৺বিমলা কান্ত বৰা- এম.এল.এ., ৺ভূজেন্দ্ৰ নাথ মহন্ত, শ্ৰীৰমাকান্ত মুক্তিয়াৰ আতা প্ৰভৃতি লোকসকলক লৈ এখনি কাৰ্যকৰী সমিতি গঠিত হয়। পণ্ডিত শ্ৰীভুবন চন্দ্ৰ দেৱক নগাঁৱত ৬ মাহ ৰাখি জোৰ প্ৰচাৰ কাৰ্য চলোৱা হয়। ইয়াৰ পিছত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰত নগাঁও জিলা শঙ্কৰ সঙ্ঘৰ বাৰ্ষিক অধিৱেশন বহুৱা হয়। সেই সভাত আৰু গাঁৱত আৰু টাউনৰ বহু মানুহে যোগ দিয়ে। সেই সভাতে প্ৰাদেশিক সঙ্ঘ গঠিত হয়। ১৯৩৩ চনত প্ৰথম প্ৰাদেশিক সঙ্ঘ গোলাঘাটৰ উকীল উদাৰচেতা পণ্ডিত গোপিকাবল্লভ গোস্বামী দেৱৰ সভাপতিত্বত বৰ্তমান নগাঁৱৰ

নতুন বজাৰত বহে। সেই সভাত চব জজ ঁযোগেন্দ্র নাথ বৰুৱা ডাঙৰীয়া বাগ্মীবৰ শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়া প্ৰভৃতি মহানুভৱ লোকসকলে যোগ দি সভাৰ গুৰুত্ব গাম্ভীৰ্য বঢ়াইছিল। সেই সভাতে বাগ্মীবৰ ফুকন ডাঙৰীয়াৰ প্ৰস্তাৱ মতে "শঙ্কৰ সঙ্ঘ"ৰ নামৰ ঠাইত "শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘ" নাম হয়। এই অধিবেশনতে মহাপুৰুষৰ একান্ত অনুৰাগী ভক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ আশীষ বাণী পাঠ কৰা হয়। বেজবৰুৱাক সুধি পঠাইছিলোঁ যে সঙ্ঘৰ পৰা এখনি "যুগ ধৰ্ম্ম" নামেৰে মাহিলি কাগজ উলিয়াবলৈ খোজা হৈছে, তেখেতৰ অভিমত কি? তেখেতে "যুগ ধৰ্ম্ম" নামৰ ঠাইত "নাম ধৰ্ম্ম" হ'ব লাগে বুলি সেই চিঠিতে উপদেশ দিছিল। সঙ্ঘই সেই কাৰ্য সমাধা কৰি সকলোৰে প্ৰশংসাৰ পাত্ৰ হৈছিল কিন্তু গ্ৰাহকৰ অভাৱত লুপ্ত হ'ল যেন পাওঁ। ই অতি দুখ আৰু লাজৰ কথা হৈছে। ই অৱশ্যে সঙ্ঘৰ সভ্যসকলৰ পক্ষে ভাল কাম হোৱা নাই।

ইয়াৰ পিছত প্ৰাদেশিক সঙ্ঘ ১৯৩৪ চনত বৰহমপুৰৰ ওচৰত পোটনীৰ পাৰত কলাযুগী গাঁৱৰ নামঘৰত ঁহলিৰাম মহন্ত দেৱৰ সভাপতিত্বত বহে। তাৰ পিছৰ বছৰ ১৯৩৫ চনত কলঙৰ পাৰত বহা হিন্দু সভাৰ মণ্ডপত শ্ৰীযুত নীলমণি ফুকনৰ সভাপতিত্বত প্ৰাদেশিক সঙ্ঘ বহে। তাৰ পিছত শুৱালকুছিত প্ৰাদেশিক সঙ্ঘ বহে। শ্ৰীশ্ৰীগড়মূৰীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুয়ে সভাপতি হোৱাৰ কথা দিও তেখেত নহাত ঁৰায় চাহাব ডম্বৰুধৰ বৰুৱা ডাঙৰীয়াৰ সভাপতিত্বত সঙ্ঘৰ অধিবেশনৰ কাম সমাধা কৰা হয়। এই অধিবেশনত শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘই প্ৰচাৰ কৰা দশাহ অশৌচ অশাস্ত্ৰীয় কোনোবাই প্ৰমাণ কৰিব পাৰিলে ২০০০ হেজাৰ টকা পুৰস্কাৰ ঘোষণা কৰা হৈছিল আৰু টকা টেবুলৰ ওপৰত টোপোলা বান্ধি ৰখা হৈছিল। কামৰূপৰ বহুতো পণ্ডিত উপস্থিত হৈছিল কিন্তু কোনোৱে মাত নামাতিলে। সঙ্ঘৰ তৰফৰ পৰা পণ্ডিত শ্ৰীভুবন চন্দ্ৰ কাব্যতীৰ্থ তৰ্কশাস্ত্ৰীয়ে শাস্ত্ৰীয় প্ৰমাণ সহ বক্তৃতা দিছিল।

ইয়াৰ পিছত প্ৰাদেশিক সভা বহুৱাব পৰা নাছিলোঁ- লগে লগে ১৯৩৭ চনৰ এচেম্বলী ইলেকশ্যন আৰু কংগ্ৰেছৰ কাম বাঢ়ি যোৱাত মই নিজে মনোযোগ দিব পৰা নাছিলোঁ। কিন্তু মুক্তিয়াৰ আতাই আৰু অন্যান্য কৰ্মীসকলে প্ৰচাৰ কাৰ্য চলাই আছিল। মই অৱশ্যে সঙ্ঘৰ কাৰ্য কেৱল মৌখিক বক্তৃতাৰ দ্বাৰা চলোৱাটো ঠিক নহয় বুলি অভিমত প্ৰকাশ কৰোঁ। কিয়নো অশৌচ সম্বন্ধীয় শাস্ত্ৰৰ শ্লোকবিলাক ঘৰুৱা ভাষাত স্ত্ৰী-শূদ্ৰ সকলোৱে বুজিব পৰাকৈ লেখিবলৈ অনুৰোধ জনাওঁ। ঁগোপিকা বল্লভ গোস্বামীদেৱৰ হতুৱাই দশাহ অশৌচৰ ব্যৱস্থা পুথি, বিবাহ বিধি, শ্ৰাদ্ধ নিৰ্ণয় নামৰ পুথি কেইখন, পণ্ডিত শ্ৰীযুত ভুবন চন্দ্ৰ দেৱে এখন বিবাহবিধি আৰু হৰিনামৰ দ্বাৰা শ্ৰাদ্ধ বিধি লেখোৱা হয়। শ্ৰীযুত মুক্তিয়াৰ আতাৰ দ্বাৰাই অন্ত্যেষ্টি ক্ৰিয়া বিধান, মৃত্যু-মঙ্গল আদি পুথি লেখাওঁ। দানবীৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই আৰু টি প্লেণ্টাৰ শ্ৰীযুত মহেন্দ্ৰ নাথ বৰুৱাদেৱে পুথি ছপোৱাত সহায় কৰিছিল।

ইতিমধ্যে ১৯৩৭ চনত এম.এল.এ. হোৱাৰ পিছত মহাপুৰুষৰ একান্ত অনুৰাগী দাতা শ্ৰীযুত কেশৱ কান্ত বৰুৱা ডাঙৰীয়াক মহাপুৰুষৰ নামত এটি সেৱা মিচন লাগে বুলি ধৰাত তেখেতে

সকলো ৰকমে সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে। আৰু কাৰ্যতঃ কাম হাতত ল'বলৈ আগবাঢ়ে। কচুৱালি গাঁৱত ২৫ বিঘা মাটি কিনি ঘৰ-দুৱাৰ সজাই দিয়ে আৰু পুৰণিগুদামৰ তেখেতৰ নামৰ খেতি মাটিৰ ধান মিচনত খাবৰ নিমিত্তে দিয়ে। এই মিচনৰ সভাপতি ৰায় চাহাব ডম্বৰুধৰ বৰুৱা, শ্ৰীৰাজমোহন নাথ সহকাৰী সভাপতি, বৰুৱাদেৱ নিজে সম্পাদক আৰু মই আৰু ৰমাকান্ত মুক্তিয়াৰ আঁতে কাৰ্যকৰী সমিতিৰ সভ্য হওঁ। মুক্তিয়াৰ আতৈক সেই মিচনৰ অধ্যক্ষ পতা হয়। সেই মিচনত গাঁৱৰ পৰা ডেকা ল'ৰা আনি বিবাহ বিধি আৰু গীত ৰাগ নাম কীৰ্তন শিক্ষাৰ প্ৰশিক্ষণ দিয়া হয়। ইতিমধ্যে ১৯৪২ চনৰ গণ আন্দোলনত মই জেললৈ যোৱাত সেই প্ৰশিক্ষণ কেন্দ্ৰ ভাগি যায় আৰু অন্যান্য কাৰণত শ্ৰীযুত বৰুৱাদেৱে মিচনৰ সংশ্ৰৱ এৰি দিয়ে।

তিনি বছৰৰ পিছত মই জেলৰ পৰা ওলাই আহোঁ। আহি দেখোঁ যে মিচনৰ কাম একবাৰে বন্ধ হৈ গৈছে। ইয়াতে মুক্তিয়াৰ আৰু মোৰ মনোবাদ হয় আৰু মুক্তিয়াৰ আতাই মোৰ লগত মাতবোল বন্ধ কৰে।

ইয়াৰ পিছত শ্ৰীশ্ৰীগড়মূৰীয়া গোস্বামী প্ৰভুৰ সভাপতিত্বত প্ৰাদেশিক সংঘৰ অধিৱেশন শ্ৰীযুত মুক্তিয়াৰ আতাৰ চেষ্টাত বহে কিন্তু মই আছিলোঁ সাধাৰণ সম্পাদক, মোক সেই সভালৈ মতা নাছিল। তেতিয়াৰ পৰা সংঘৰ প্ৰাদেশিক অধিৱেশন বহি আছে কিন্তু তাত মোৰ যোগ নাছিল। কুঁৱৰীটোলৰ প্ৰাদেশিকত যোগ দিওঁ আৰু নগাঁও জিলা সংঘৰ সভাপতি হওঁ।

ইতিমধ্যে মই শ্ৰীমন্ত শংকৰ মিচন স্থাপন কৰিবৰ নিমিত্তে বৰ চেষ্টা কৰি আছোঁ। শুৱালকুছিৰ শংকৰ মন্দিৰৰ দ্বাৰ উন্মোচন উপলক্ষে লোকপ্ৰিয় বৰদলৈ ডাঙৰীয়াৰ সভাপতিত্বত যি সভা বহে তাতে শ্ৰীমন্ত শংকৰ মিচন স্থাপনৰ প্ৰস্তাৱ দিয়া হয় আৰু বাণী কাকতি প্ৰভৃতি কেইবাজনো গণ্য-মান্য লোকেৰে এটি কমিটি গঠন কৰি দিয়া হয়; কিন্তু কোনো এজন লোকেও সহাঁৰি নিদিলে; কেৱল কাকতিদেৱে মোলৈ লেখিলে যে, সভা-সমিতি এৰক- আপুনি নিজেই কাম আৰম্ভ কৰি দিয়ক; নহ'লে এইবোৰ কাম সভা-সমিতিৰ দ্বাৰা হোৱা টান।

সেই উপদেশ মতে ১৯৫০ চনত শ্ৰীমন্ত শংকৰ মিচন স্থাপন কৰা হয়। এই কাৰ্যত ড° ললিত বৰুৱা মোৰ দক্ষিণ হস্ত স্বৰূপ সহায় হয়।

যদিও মই নাছিলোঁ শ্ৰীশ্ৰীগুৰুজনাৰ কামত অৱহেলা কৰা নাই। মহাপুৰুষ জগতগুৰুৰ পঞ্চশত বাৰ্ষিকী উৎসৱ বৰদোৱাত পালন কৰা হয় আৰু সেই উৎসৱৰ সভাত শ্ৰীযুত মিত্ৰদেৱ মহন্তদেৱে সভাপতিত্ব কৰে আৰু শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াই বৰদোৱাৰ নামঘৰ দুটা ভাঙি এটা কৰাৰ প্ৰস্তাৱ দিয়ে। সেইমতে এই অধমে অনেক চেষ্টা কৰি সৰুফালৰ তিনিজনমান লোকৰ বাহিৰে সকলোকে সন্মতি কৰাওঁ। আৰু শ্ৰীযুত মতিৰাম বৰা ডাঙৰীয়া তেতিয়াৰ বিত্ত আৰু ৰাজহ মন্ত্ৰীৰ আগত এটি পৰিকল্পনা প্ৰস্তাৱ দাঙি ধৰোঁ।

মহাপুৰুষৰ জন্ম থান বৰদোৱাৰ পৰাই একশৰণ নাম ধৰ্ম সাহিত্য নাট্য কলা সৃষ্টি বিকীৰ্ণ হৈছিল (radiated)। এতিয়া আমি বৰদোৱাক কেন্দ্ৰ কৰি উঠিব লাগিব; তাকে কৰিবলৈ বৰদোৱাৰ

For translation of this speech, visit:-http://www.atributetosankaradeva.org/Rise_of_Sankaradeva_Sangha.pdf

কীৰ্তন ঘৰ এখন কৰা হৈ গৈছে। ইয়াত উচ্চ খাপৰ এখন সংস্কৃত কলেজ পাতিব লাগিব; তাকে আমাৰ বিদ্যুৎসাহী ডেকাসকলক দেশ-বিদেশৰো ভাষা শিকাব লাগিব আৰু সকলো ধৰ্মৰ শিক্ষা দি দেশে-বিদেশে তেওঁলোকক পঠিয়াই মহাপুৰুষৰ ধৰ্ম আৰু অন্যান্য উদাৰ শিক্ষা প্ৰচাৰ কৰিব লাগিব ; তেতিয়াহে মহাপুৰুষৰ কীৰ্তি বিশ্বব্যাপি হ'ব আৰু অসমীয়া জাতিৰ মুখ উজ্বল হ'ব। তদুপৰি যিসকল লোকে তীৰ্থ বিচাৰি কাশী বৃন্দাবন পুৰীলৈ যায় তেনে লোকসকলক বটদ্ৰৱাতে থকাৰ সুবিধা কৰি দিব লাগিব কিয়নো সাতো বৈকুণ্ঠৰ সাৰ বটদ্ৰৱা থান। ইয়াতে থাকি ১৪ প্ৰসঙ্গ নাম কীৰ্তন ধৰ্ম চৰ্চা বৈষ্ণৱী সাহিত্য চৰ্চা কৰি ইহকাল পৰকাল আৰু জাতিৰ উদ্গতি সাধন কৰিব পাৰিব। আকাশী গঙ্গা আৰু দৌল মণ্ডপৰো উন্নতি সাধন কৰাৰ লগে লগে যাত্ৰী থকা ঘৰ ঠায়ে-ঠায়ে সাজি দি, প্ৰসাৰ পাইখানাৰ আৰু পানীৰ বন্দৱস্ত কৰিব লাগিব আৰু গোটেই বৰদোৱা ৰমক-জমক কৰি দিলে ভাৰতৰ ভিতৰত এখন লেখত ল'বলগীয়া তীৰ্থ থান আৰু বিশ্ব ভ্ৰমণকাৰীসকলকো আকৃষ্ট কৰিব পৰা যাব। ইয়াৰ ভিতৰতে এতিয়া আলহী ঘৰ এটা হৈ গ'ল।

মই ৰাজহ মন্ত্ৰী মহোদয়ক বৰদোৱাৰ চাৰিওফালে থকা ৰিজাৰ্ভৰ মাটি পত্তন নিদিবলৈ অনুৰোধ কৰিছোঁ; কিয়নো ভৱিষ্যতে বটদ্ৰৱা বিশ্ববিদ্যালয় কৰাৰ মোৰ পৰিকল্পনা আছে- যেনে বোলপুৰ শান্তি নিতেকন বিশ্ব ভাৰতীৰ দৰে।

শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘৰ পৰা এই প্ৰস্তাৱ ল'ব লাগে আৰু উক্ত পৰিকল্পনা কাৰ্যকৰী কৰিবলৈ গাত ল'ব লাগে। শ্ৰীযুত বৰা ডাঙৰীয়াই যি কাম কৰিলে সি অতি প্ৰশংসনীয় আৰু ৰাইজৰ সদায় আশীৰ্বাদ পাই থাকিব। শ্ৰীশ্ৰীগুৰুজনাৰ কৃপা তেওঁৰ ওপৰত বৰ্ষিত হওক।

শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘৰ মহান উদ্দেশ্য আছিল। একশৰণ নাম ধৰ্মৰ প্ৰকৃত তত্ত্ব প্ৰচাৰ আৰু এই ধৰ্মক ঢাকি ধৰা কুসংস্কাৰৰ আবৰ্জনা দূৰ কৰি নিৰ্মল ভক্তি প্ৰচাৰ কৰি অস্পৃশ্যতা বৰ্জন কৰা; সৰ্ববৰ্ণৰ সমান অধিকাৰ স্থাপন কৰা আৰু গোটেই অসমৰ পাহাৰ ভৈয়ামৰ সম্প্ৰীতি সাধন কৰা। ভৈয়ামত আমাৰ মাজত থকা কুসংস্কাৰৰ জাতি যোৱা চুবি-চুবি-লুবি লুবি ভাব আমি গুচাই মহাপুৰুষৰ আদৰ্শেৰে বহল সমাজ গঢ়িব নোৱাৰিলে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰা যে টান হ'ব তাক একান্ত মূৰ্খ নহ'লে কোনোৱে নুই কৰিব নোৱাৰে। পূৰ্বে সত্ৰ আৰু নামঘৰ পতা হৈছিল এই মহান উদাৰ ধৰ্ম প্ৰচাৰৰ অৰ্থে কিন্তু আজি সত্ৰাধিকাৰসকলে একেবাৰে দুৰ্ঘোৰ এন্ধাৰত নিজে খেপিয়াই ফুৰিছে। এওঁলোকে মহাপুৰুষৰ উদ্দেশ্য একেবাৰে পাহৰি দেশৰ সৰ্বনাশ সাধন কৰিছে। কোনো কোনো সত্ৰাধিকাৰ জমিদাৰ বিশেষ মাত্ৰ হৈ পৰিছে। এওঁলোকৰ ধৰ্ম প্ৰচাৰৰ সময় নাই-খাট পামৰ হিচাপ লৈ অন্ত নাপায়। সত্ৰীয়া প্ৰভুসকলে শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘৰ বিৰোধিতা কৰিবলৈকে সত্ৰ সঙ্ঘ স্থাপন কৰে, পাছে আমাৰ ভক্তসকলৰ গুৰুপ্ৰেম সাধনাৰ গঙ্গাৰ সোঁতত মদগৰ্বী সত্ৰ-সঙ্ঘৰ ঐৰাৱত উটি গ'ল।

For translation of this speech, visit:-http://www.atributetosankaradeva.org/Rise_of_Sankaradeva_Sangha.pdf

জয় গুৰু শঙ্কৰ

আনহাতে ল'ৰা-ছোৱালীবিলাকক লেখা-পঢ়া শিক্ষাৰ লগে লগে ধৰ্ম শিক্ষা, নীতি-শিক্ষা, চৰিত্ৰ আৰু সংযম শিক্ষা দি ধৰ্মবীৰ, কৰ্মবীৰ, চৰিত্ৰবান, ধৈৰ্যশীল কৰি তোলা আৰু লগে লগে দাস্য ভক্তিৰ সাঁচ অন্তৰত বহুৱাই- ঈশ্বৰ সেৱা, পিতৃ-মাতৃ গুৰুসেৱা, সন্ত সাধুলৈ ভক্তি, সত্য অহিংসাত বিশ্বাস– জীৱদয়া, দৰিদ্ৰ নাৰায়ণৰ সেৱা কৰিবলৈ শিক্ষা দিব লাগে; নহ'লে ভৱিষ্যতৰ সমাজ কেতিয়াও সুস্থ সবল আৰু উজ্বল হ'ব নোৱাৰে।

পূৰ্বৰ গাঁও সংগঠন নামঘৰক কেন্দ্ৰ কৰি সহযোগ সমবায় গঢ়ি তুলিব লাগিব, পৰহিংসা পৰনিন্দা চৰ্চা আৰু পৰধৰ্ম নিন্দাৰ পৰা সদায় দূৰত থাকিব লাগে; আনহাতে পৰ-ধৰ্ম সহনশীলতা অভ্যাস কৰিব লাগে, সকলোৰে প্ৰতি সদব্যৱহাৰৰ দ্বাৰা লোকৰ অন্তৰ জয় কৰাই মহাপুৰুষৰ আদৰ্শ আছিল। ইয়াত অসীম ধৈৰ্য আৰু সহনশীলতা লাগিব। তেহে এই সংঘৰ জয় আৰু উদ্দেশ্য সিদ্ধি হ'ব।

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সংঘৰ দায়িত্ব অসীম। এই সংঘই নাট্য কলা-কৃষ্টি ভাওনা নৃত্য-গীত আদিৰ চৰ্চা কৰি বৰ্তমান জগতৰ লগত খাপ খোৱাকৈ মনোৰম কৰি গঢ়িব লাগিব। নহ'লে আমি পিচুৱাই যাব লাগিব। ভাৰতৰ ভিতৰত আঞ্চলিক ভাষাত ভাওনা যাত্ৰা প্ৰথম মহাপুৰুষেই প্ৰচলন কৰে, তাৰাই প্ৰথম নাট্যকাৰ কিন্তু চৰ্চাৰ অভাৱত গতানুগতিক হৈ আজি ভাৰতত আটাইতকৈ পিছ পৰি আছে। নৃত্য কলাৰো সেই একে দশা, বৰগীতৰ সুৰ ৰাগ হেৰাল বুলিব লাগে। কি লাজ আৰু দুখৰ বিষয়। সংঘই দস্তুৰমত সেইবিলাক সুৰ পুনৰ উদ্ধাৰ কৰিব লাগে।

বৰ্টদ্ৰৱা পৰিকল্পনা কাৰ্যকৰী নোহোৱালৈকে এটা প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠা কৰি মহাপুৰুষৰ অনুৰক্ত বিশ্বাসী, ধৈৰ্যশীল, ত্যাগী, বৈৰাগ্য ভাবাপন্ন কিছুমান মুনিহ তিৰোতাক শিক্ষা দি প্ৰচাৰ আৰু সংগঠনৰ কাম কৰিবলৈ নিযুক্তি নকৰিলে কেনেকৈ আমাৰ উদ্দেশ্য সফল হ'ব তাক মই বুজিব পৰা নাই।

লগে লগে আৰু আমাক লাগে আমাৰ বৈষ্ণৱ সাহিত্যবিলাক ভাৰতীয় আন আন ভাষাত বিশেষকৈ হিন্দী আৰু গুজৰাটী আদি ভাষাত আগতে আৰু ইংৰাজীত প্ৰচাৰৰ ব্যৱস্থা সোনকালে কৰিব লাগে আৰু মহাপুৰুষৰ জীৱনী তাৰাৰ ধৰ্ম, দৰ্শন আদি ইংৰাজী হিন্দীত সোনকালে প্ৰচাৰ কৰিব লাগে। শ্ৰীমন্ত শঙ্কৰ মিচনৰ পৰা ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ সম্পাদনত Sangkar deva Vaisnava saint of Assam নামেৰে এখনি পুস্তক লেখোৱা হৈছিল কিন্তু এটা কথা অমিল হোৱাৰ নিমিত্তে মিচনে পুস্তকখনৰ স্বত্ব এৰি দিলে।

এই ধৰ্মৰ শিক্ষা দৰ্শন সম্বন্ধে আৰু প্ৰচাৰ আদি বৈষ্ণৱ গ্ৰন্থ আৰু মহাপুৰুষসকলৰ সম্বন্ধে ভাল গৱেষণা হ'ব লাগে। সেই বিষয়ে সংঘই বিবেচনা কৰিব বুলি আশা কৰিলোঁ।

কামপুৰ আৰু লুকিমাইৰ বাৰ্ষিক অধিবেশনত প্ৰাদেশিক সংঘৰ এটি স্থায়ী অফিচ হ'ব

For translation of this speech, visit:-http://www.atributetosankaradeva.org/Rise_of_Sankaradeva_Sangha.pdf

লাগে বুলি বৰ জোৰ দি কৈছিলোঁ– দুখৰ বিষয় আজিলৈকে তাৰ একোৰে একোটো নহ'ল। এটি অফিচ নহ'লে সংঘৰ কাম যেতিয়া যি দৰে চলিব লাগে সেইদৰে কেতিয়াও নচলে। সম্পাদক থাকে এঠাইত সভাপতি থাকে ১২০/২৫ মাইল আঁতৰত। কোনো ৰেকৰ্ড নাই , কেৰাণী নাই , কেনেকৈ কাম হ'ব পাৰে মোৰতো ধাৰণাই নহয়।

আমাৰ বহুতৰ ধাৰণা যে ভকতীয়া হ'লে সংসাৰৰ সকলো কাম-কাজ এৰিব লাগে, সেইটো একেবাৰে ভুল ধাৰণা। মহাপুৰুষৰ শিক্ষা ''হাতে কৰা কৃত কাম, মুখে লোৱা ৰাম নাম''। মনত ৰাখিব ''দাৰিদ্ৰ দোষো গুণৰাশী নাশী''। দৰিদ্ৰতা অষ্টম মহাপাপৰ ভিতৰত গণ্য। মহাপুৰুষৰ ধৰ্মত–

হৰিনাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি।
হৰিত শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি॥ ২৯॥ (নাম ঘোষা)

সকলো দেশতে সকলো সময়তে জাতিৰ সকলো মানুহে মুনিহে বা তিৰোতাই বা ল'ৰা বুঢ়া ডেকা গাভৰু শুচি বিধুতি অৱস্থাতে সকলোৱেই ঈশ্বৰৰ নাম লোৱাত বাধা নাই। জ্ঞানী-অজ্ঞানী, শিল্পী বৈদ্য, কৃষক, ব্যৱসায়ী সকলো কাম কৰিও ঈশ্বৰক পাব পাৰে যদি নিষ্কাম ভাবে তেওঁৰ নাম লয়। অনাশক্তি আৰু নিৰ্লিপ্ত হৈ সকলো কাম তেওঁতে অৰ্পণ কৰি ফলাফলৰ আকাঙ্খা নাৰাখি নিজ নিজ কৰ্তব্য কৰি যাব লাগে। এয়ে মহাপুৰুষৰ শিক্ষা। ত্যাগ আৰু বৈৰাগ্যই সাধাৰণ প্ৰধান উপায়। সংসাৰত থাকিও ত্যাগী আৰু বৈৰাগী হ'ব পাৰে আৰু হ'ব লাগিব।

শ্ৰীশ্ৰীশঙ্কৰদেৱ সংঘৰ কাম পূৰ্ণৰূপে আৰু সহজ কৰিবলৈ মহাপুৰুষৰ দাস্য-ভক্তিৰ আদৰ্শ স্থাপন কৰিবলৈ শ্ৰীমন্ত শঙ্কৰ মিচন প্ৰতিষ্ঠা কৰা হৈছে। শ্ৰীমন্ত শঙ্কৰ মিচনে আগে আগে সেৱাৰ কাম– দুখিত, পীড়িত ৰোগীৰ সেৱা শুশ্ৰূষা কৰি যাব; স্কুল ডাক্তৰখানা আদি পাতি যাব- পাছে পাছে শ্ৰীশ্ৰীশঙ্কৰদেৱ সংঘই নৃত্যগীত কলা নাট্য- ভাওনা আদিৰে অশিক্ষিতসকল পাহাৰ ভৈয়ামত জনজাতিসমূহৰ মাজত ধৰ্ম প্ৰচাৰ সমাজ শিক্ষা আচাৰ নীতি আদি শিক্ষা দি ভাগৱতী বৈষ্ণৱ ধৰ্মৰ ধ্বজা উৰাই যাব। এয়ে আছিল উদ্দেশ্য। পাছে মাজতে সংঘৰ বহু লোকে মিচনক প্ৰতিদ্বন্দ্বী বুলি ভাবি ইয়াৰ বিৰোধিতা কৰা দেখা গৈছিল। নগাঁৱৰ কুঁৱৰীটোলত বহা প্ৰাদেশিক শঙ্কৰদেৱ সংঘৰ অধিবেশনত মই সেই বিষয়ে বহলাই প্ৰমাণে সৈতে বুজোৱাৰ পিছৰ পৰাই ধৰিবা সেই ভাবটো আঁতৰিছে আৰু এতিয়া প্ৰকৃত সহযোগিতাৰ ভাব গাঢ় হোৱাত আনন্দৰ কথা হৈছে।

পুৰীত শ্ৰীশ্ৰীশঙ্কৰদেৱ নামঘৰ আৰু যাত্ৰীসকলৰ নিমিত্তে জিৰণি লোৱাৰ ঘৰ ঠিক হৈ গৈছে। নামঘৰৰ মাটি আৰু ঘৰ কিনাৰ বন্দবস্ত চলি আছে। জিৰণি ঘৰ ১২০০০ টকাত লোৱা গৈছে। এই জিৰণি ঘৰৰ ৩ বিঘা চৰকাৰী মাটি অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত চলিহা ডাঙৰীয়াৰ সহানুভূতি আৰু যত্নত উৰিষ্যাৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী শ্ৰীযুত হৰেকৃষ্ণ মেহতা ডাঙৰীয়াই বিনামূল্যে

দান দিছিল। অসম চৰকাৰৰ পৰা সম্প্ৰতি ৫০,০০০ (পঞ্চাশ হাজাৰ) টকা অনুদান দিছে। চলিহা ডাঙৰীয়াৰ ওপৰত শ্ৰীশ্ৰীগুৰুজনাৰ কৃপা বৰ্ষণ হওক– এয়ে প্ৰাৰ্থনা।

এই উদ্যম প্ৰথমে শ্ৰীযুত ৰাম ৰাম আতৈৰ চেষ্টাত আৰু শ্ৰীযুত মনসা ৰাম বৰাদেৱ, শ্ৰীযুত নাৰায়ণ চন্দ্ৰ মহন্তদেৱ আদিৰ সহযোগত হৈছিল পাছে কথাটো অসম্ভৱ বুলি সেই উদ্দেশ্য তোলা ধন ২৫০০ টকা গুৰুজনাৰ অন্য কামত খটুৱাবলৈহে মন কৰা হৈছিল; কিন্তু এই অধমৰ উদ্গনিত সেইটো নকৰি পুৰীতে শ্ৰীশ্ৰীশঙ্কৰদেৱ নামঘৰ আৰু যাত্ৰীৰ জিৰণি ঘৰ ঠিক হ'লগৈ। এই বিষয়ে শ্ৰীযূত মহেন্দ্ৰ মোহন চৌধুৰী আৰু শ্ৰীযুত লক্ষ্যেশ্বৰ হাজৰিকাৰ তৎপৰতা আৰু উদ্যম প্ৰশংসনীয়।

এতিয়া তাত শ্ৰীযুত ৰাম ৰাম আতৈয়ে নামগুণ গাই আছে। সেই ঠাইত প্ৰচাৰৰ নিমিত্তে এজন উচ্চ শিক্ষিত মানুহৰ দৰকাৰ।

ইয়াৰ বাহিৰে অসমত ক্ৰমে মহাপুৰুষৰ গুণ স্বীকাৰ কৰিব ধৰিছে। শ্বিলঙত শঙ্কৰদেৱ কৃষ্টি সমাজ স্থাপিত হৈ বিৰাট কীৰ্তন ঘৰ আৰু দেৱপ্ৰসাদ হল, আলহী ঘৰ, ভকতৰ বহা আদি সুন্দৰ বন্দবস্ত হৈছে। এই কামৰ গুৰিতে এই অধমেই ঁঅভাৱ চন্দ্ৰ আতৈক গতাই ঁলোকপ্ৰিয় বৰদলৈ ডাঙৰীয়া, শ্ৰীযুত মহেন্দ্ৰ মোহন চৌধুৰী, শ্ৰীযুত নলিনী কুমাৰ দাস, শ্ৰীযুত মতিৰাম বৰা প্ৰভৃতিৰ মহানুভৱ লোকসকলৰ চেষ্টা আৰু উদ্যোগত এই অসমৰ ৰাজধানীত মহাপুৰুষৰ কীৰ্তি বিকশিত হয়।

শ্বিলঙতে শ্ৰীশ্ৰীমাধৱদেৱ সমাজ স্থাপিত হৈছে। শিৱসাগৰত শ্ৰীশ্ৰীশঙ্কৰদেৱ সমাজ গঠিত হোৱা আজি কেইবা বছৰো হৈছে, গুৱাহাটীত শঙ্কৰকৃষ্টি বিকাশ সমাজ গঠিত হৈছে। মধুপুৰ থান সংস্কাৰ কৰিবৰ নিমিত্তে চেষ্টা কৰিছে আৰু তাত এটা থিয়চফিকেল অৰ্থাৎ অধ্যাত্মবিদ্যা চৰ্চাৰ আৰু হৰিনাৰায়ণ দত্ত বৰুৱাদেৱ, ঁহৰমোহন দাসদেৱৰ উদ্গণি আৰু শ্ৰীযুত মহেন্দ্ৰ মোহন চৌধুৰী, শ্ৰীযুত হৰেশ্বৰ গোস্বামীদেৱৰ যত্নত এই চেষ্টা ফলৱতী হোৱাৰ আশা হৈছে। আমাৰ মুখ্যমন্ত্ৰী চলিহা ডাঙৰীয়াই অসম চৰকাৰৰ পৰা অনুদান দিবলৈ ঠিক কৰিছে আৰু বঙ্গদেশৰ মুখ্যমন্ত্ৰী শ্ৰীযুত বিধান চন্দ্ৰ ৰায় ডাঙৰীয়াৰ লগত লেখা-পঢ়া কৰি তেখেতৰ পৰা অৰ্থ সাহায্যৰ প্ৰতিশ্ৰুতি পাইছে। এই বিষয়ে শ্ৰীশ্ৰীশঙ্কৰদেৱ সঙ্ঘৰ সহযোগ নিতান্ত দৰকাৰ। মই অৱশ্যে মধুপুৰ নিৰ্মাণ কমিটিত সভ্য হৈ আছোঁ।

এইবিলাক অনুষ্ঠান পাতি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ আৰু মহাপুৰুষ মাধৱদেৱৰ গুণ গ্ৰহণ এটা শুভ লক্ষণ; তবে আমাৰ ভিতৰত বিভেদ সৃষ্টি নহয়-যাতে যি মন তাকে নকৰে- এক উদ্দেশ্যে এক পথৰ যাত্ৰী হৈ মহাপুৰুষৰ বহুমুখী প্ৰতিভাৰ পোহৰত নিজক আৰু দেশক নাম ধৰ্মৰ প্ৰতি আকৃষ্ট কৰাই উত্তৰোত্তৰ সমাজ সেৱাৰ মাজেদি জয়শ্ৰী লাভ কৰাই উদ্দেশ্য হ'ব লাগে।

উপৰুক্ত অনুষ্ঠানবিলাকৰ এখন Co-ordination কমিটি থাকিলে বৰ ভাল হয়, নহ'লে আৰু সময় নষ্ট আৰু বিভেদ সৃষ্টিৰ বীজ বৈ যোৱাৰ আশঙ্কা থাকি যাব।

এতিয়া আমাক গাঁও সংগঠনৰ যোগে জোৰেৰে প্ৰচাৰ কাৰ্য চলাব লাগে। বৰ্তমানে যদিও

বহু প্ৰাথমিক গঠিত হৈছে সেইবিলাকে প্ৰায়ে কথাৰ গুৰুত্ব বুজা নাই যেন পাওঁ, লেজুত ধৰি বল নিদিয়া যেন লাগে। শ্ৰীমন্ত শঙ্কৰ মিচনৰ পৰা গ্ৰাম্য মঙ্গল সমিতি গঠন আৰু উন্নয়ন কাৰ্য পদ্ধতিৰ আঁচনিত শ্ৰীশ্ৰীগুৰুজনাৰ নামত বস্ত্ৰ, তামোল-পাণ, একোজোপা উৎসৰ্গ কৰি ধন সংগ্ৰহ আদিৰ যি আঁচনি দিছিলোঁ তাৰে অনুৰূপ আঁচনি এখন হাতীগড়ত বহাত সঙ্ঘই গ্ৰহণ কৰিছিল কিন্তু কাম কিবা হৈছে বুলি জনা নাই। প্ৰাদেশিক সম্পাদকৰ পৰা যি ৰিপোৰ্ট পাইছোঁ সি অতি শোক লগা।

জগদগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰক কেন্দ্ৰ কৰি তাৰাৰ আদৰ্শ শিক্ষা, নামঘৰ পুনৰ জীৱিত কৰি পাহাৰ আৰু ভৈয়ামৰ সমস্যা সমাধান কৰিবলৈ বদ্ধপৰিকৰ হৈ আগবাঢ়িব লাগিব, নহ'লে অসমীয়া জাতি শল ঠেকত পৰিব লাগিব॥ ■ ■

---

*এই আংশিক অভিভাষণখনি লোকসেৱক হলধৰ ভূঞা জন্ম শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ হোৱা 'লোকসেৱক হলধৰ ভূঞা' নামৰ গ্ৰন্থখনিৰ পৰা উদ্ধৃত কৰি দিয়া হৈছে। সম্পাদকৰ টোকাৰ পৰা জানিব পৰা গৈছে যে অভিভাষণখন ২৮ পৃষ্ঠাৰ আছিল। সঙ্ঘৰ জন্ম বৃত্তান্ত থকা অংশহে উক্ত গ্ৰন্থত সন্নিবিষ্ট কৰিছিল। সেয়েহে আমিও সম্পূৰ্ণ অভিভাষণখনি বিচাৰি নাপাই উক্ত গ্ৰন্থত থকাৰ দৰেই তুলি দিলোঁ। (সম্পাদক : তোষেশ্বৰ শৰ্মা, ১৯৯১ চন, প্ৰকাশক ইন্দ্ৰেশ্বৰ গোস্বামী, সাধাৰণ সম্পাদক, জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি)*

*— সম্পাদক*